**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-07-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***<u>HEADLINES</u>***

১। সংসদৰ বাজেট অধিবেশন অহা ২২ জুলাইত আৰম্ভ হ'ব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

২। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি গৃহ ৰাজ্য ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হয়।

৩। চৰকাৰে অনাগত পাঁচ বছৰৰ ভিতৰত দেশত প্ৰায় ২ লাখ গাঁও পঞ্চায়তত বহুমুখী প্ৰাথমিক কৃষি ঋণ ছ'চাইটি স্থাপন কৰিব।

*আৰু*

৪। হাৰাৰেত চলি থকা ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি মেচৰ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দলটোৱে ভাৰতক জয়ৰ বাবে ১১৬ ৰাণৰ লক্ষ্য বান্ধি দিছে।

000000000

সংসদৰ বাজেট অধিবেশন ২২ জুলাইৰ পৰা আৰম্ভ হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে এটা বাৰ্তাত কয় যে এই অধিবেশন ১২ আগষ্টলৈ চলিব। তেওঁ লগতে কয় যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২৩ জুলাইত ২০২৪-২৫ বৰ্ষৰ বিত্তীয় বাজেট সংসদত উত্থাপন কৰিব। বাজেট অধিবেশন অনুষ্ঠিত কৰাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱৰ ভিত্তিত অনুমোদন জনায়।

000000000

চৰকাৰে অনাগত পাঁচ বছৰৰ ভিতৰত দেশত প্ৰায় ২ লাখ গাঁও পঞ্চায়তত বহুমুখী প্ৰাথমিক কৃষি ঋণ ছ'চাইটি স্থাপন কৰিব। দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হৈ কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে গুজৰাটৰ গান্ধী নগৰত ১০২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় সমবায় দিৱসত ভাষণ প্ৰদান কৰি এই কথা প্ৰকাশ কৰে। সমবায়বোৰৰ মাজত আৰ্থিক সহযোগিতাৰ পোষকতা কৰি শ্ৰীশ্বাহে কয় যে কেৱল সমবায় বেংকসমূহৰ জৰিয়তে বিত্তীয় লেনদেন সূচল কৰি সমবায় বেংকসমূহৰ নেটৱৰ্ক সুদৃঢ় কৰাৰ বাবে দেশৰ জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ সমবায়সমূহৰ মাজত অৰ্থনৈতিক সহযোগিতা সুনিশ্চিত কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সমবায় খণ্ডৰ উন্নয়নৰ বাবে গুজৰাটৰ পঞ্চমহল আৰু বনছকন্থ জিলাত আৰম্ভ কৰা পাইলট প্ৰকল্প পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে।

000000000

চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি গৃহ ৰাজ্য ওড়িশাৰ ভূৱনেশ্বৰত উপস্থিত হয়। বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত শ্ৰীমতী মুৰ্মুক ওড়িশাৰ ৰাজ্যপাল ৰঘূবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ পুৰীত হ'বলগীয়া বিশ্বখ্যাত ভগৱান জগন্নাথ, বলোভদ্ৰ, দেৱী শুভদ্ৰা আৰু সুদৰ্শনৰ ৰথ যাত্ৰা চাব। শ্ৰী মতী মুৰ্মু আজি সন্ধিয়া ভূৱনেশ্বৰত হ'বলগীয়া উৎকলমানী পণ্ডিত গোপবন্ধু দাসৰ ৯৬ সংখ্যক মৃত্যু দিৱসৰ অনুষ্ঠানত উপস্থিত থাকিব। এই ভ্ৰমণকালত তেওঁ ভূবনেশ্বৰৰ

উদয়গিৰি আৰু খণ্ডগিৰিৰ গুহাসমূহ পৰিদৰ্শন কৰিব। সোমবাৰে তেওঁ বিভূতি কাননগু কলেজ আৰু উৎকল সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব। সেইদিনাই ভূৱনেশ্বৰৰ সমীপৰ হৰিদামাদা গাঁৱত ব্ৰহ্মকুমাৰীৰ ডিভাইন ৰিট্ৰিট চেণ্টাৰ উদ্বোধন কৰাৰ লগতে লাইফ ষ্টাইল ফৰ চাষ্টেইনেবিলিটি অভিযানৰ শুভাৰম্ভ কৰিব। মঙলবাৰে তেওঁ ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ ত্ৰয়োদশ সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব। পাছত তেওঁ দিল্লীলৈ উভতি আহিব।

ooooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। গোৱালপাৰা জিলাৰ লক্ষীপুৰত আজি এই অভিযানৰ কাৰ্যসূচী আৰম্ভ হৈছে। গোপীনাথ বৰদলৈ সভাঘৰত এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, উন্নয়ন আয়ুক্ত ৰঞ্জিত কোঁৱৰ, নিটি আয়োগৰ পৰ্যবেক্ষক আৰু জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, সমাজ কল্যাণ বিষয়া, কৃষি বিষয়া আদিৰ লগতে আন কেইবাটাও বিভাগৰ বিষয়া তথা কৰ্মচাৰীসকলক উপস্থিত থাকে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি লক্ষীপুৰ চহৰৰ মাজেৰে সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়।

বাক্সা জিলাৰ বৰমাত আজি এই অভিযান আৰম্ভ কৰি এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। জিলাখনৰ বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত বি টি চিৰ অধ্যক্ষ কাতিৰাম বড়োৱে এই অভিযান মুকলি কৰে। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত কৃষ্ণা বৰুৱা উপস্থিত থাকে। ইপিনে জিলাখনৰ সদৰ মুছলপুৰতো নিটি আয়োগৰ অধীনত **সম্পূৰ্ণতা অভিযান**ৰ সৈতে সংগতি ৰাখি এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অধ্যক্ষ কাতিৰাম বড়োৱে অংশগ্ৰহণ কৰি জিলাখনক শিক্ষা, স্বাস্থ্য আদি সকলো দিশতেই আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিব বুলি মন্তব্য কৰে।

অসমত **সম্পূৰ্ণতা অভিযানে** বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা, ওদালগুৰি, ডিমা হাচাও আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক সামৰি লৈছে। সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা এই অভিযান অহা ৩০ ছেপ্তেম্বৰলৈকে চলিব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত লেবাৰ পাৰ্টীৰ জয়ৰ বাবে নতুনকৈ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত ছাৰ কেইৰ ষ্টাৰমাৰক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে কয় যে, ব্ৰিটেইনৰ সৈতে বন্ধুত্ব অধিক

শক্তিশালী কৰাৰ বাবে ভাৰতে আগ্ৰহেৰে বাট চাইছে। দুয়োখন দেশৰ মাজত ইতিবাচক আৰু গঠনমূলক সহযোগিতাৰ বাবেও ভাৰত আগ্ৰহী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইৰাণৰ ইছলামিক ৰিপাব্লিকৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা মাছুদ পেজেস্কিয়ানক অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু ইৰাণৰ জনসাধাৰণৰ সুবিধাৰ্থে উষ্ম আৰু দীৰ্ঘদিনীয়া দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ বাবে পেজেস্কিয়ানৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ আগ্ৰহী।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ব্ৰিটেইনৰ বৈদেশিক সচিব ডেভিদ লেমীৰ সৈতে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমযোগে ড০ জয়শংকৰে কয় যে দুয়োপক্ষৰ কৌশলগত অংশীদাৰিত্ব বৃদ্ধিৰ সম্পৰ্কত দুয়ো আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে শ্ৰী লেমীৰ সৈতে আগলৈ ব্যক্তিগত বৈঠকৰ বাবে তেওঁ আগ্ৰহী।

০০০০০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি আহমেদাবাদত গুজৰাট ৰাজ্যিক কংগ্ৰেছৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰি তেওঁৰ দলে আগন্তুক নিৰ্বাচনত বিজেপিক পৰাস্ত কৰিব বুলি আস্থা প্ৰকাশ কৰে। এদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ যোৱা শ্ৰী গান্ধীয়ে গুজৰাটৰ ৰাজকোট ক্ৰীড়া মণ্ডলৰ অগ্নিকাণ্ডৰ ঘটনাৰ লগতে অন্যান্য কেইবাটাও ঘটনাৰ ভুক্তভোগীসকলক সাক্ষাৎ কৰে। আমাৰ সংবাদদাতাই জনায় যে সাংসদ ৰাহুল গান্ধীয়ে লোকসভাত দিয়া হিন্দুবিৰোধী মন্তব্যক কেন্দ্ৰ কৰি আহমেদাবাদত থকা গুজৰাট প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যালয়ৰ বাহিৰত অলপতে হোৱা বিজেপি আৰু কংগ্ৰেছ কৰ্মীৰ সংঘৰ্ষৰ পাছতে শ্ৰী গান্ধীয়ে গুজৰাটলৈ অহাৰ সিদ্ধান্ত লয়।

০০০০০০০০০

স্বাস্থ্য মন্ত্ৰালয়ে স্পষ্ট কৰিছে যে NEET UGৰ পৰামৰ্শদানৰ বিলম্বৰ বাতৰি অশুদ্ধ আৰু এই পৰামৰ্শদান অনুষ্ঠিত কৰাৰ বাবে নিৰ্দিষ্ট দিন এতিয়ালৈকে ধাৰ্য কৰা হোৱা নাই। একাংশ সংবাদ মাধ্যমত এই বাতৰিটো প্ৰচাৰ হৈ থকাৰ মাজতে স্বাস্থ্য মন্ত্ৰালয়ে বিষয়টো স্পষ্ট কৰে।

০০০০০০০০০

হাৰাৰেত চলি থকা ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি মেচৰ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দলটোৱে ভাৰতক জয়ৰ বাবে ১১৬ ৰাণৰ লক্ষ্য বান্ধি দিছে। ভাৰতে টছ্ত জিকি জিম্বাব'ৱেক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১১৫ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবি বিষ্ণয়ে সৰ্বাধিক চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে বাতৰি লিখা পৰলৈকে ১০ অভাৰত ৫টা উইকেট হেৰুৱাই ৪৩ ৰাণ কৰি খেলি আছে। উল্লেখযোগ্য যে অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ এই খেলখনত অভিষেক ঘটিছে।

০০০০০০০০০

**সমাপ্ত**